# বিভাজন : এক বিভীষিকা

দৃশ্য : এটা আয়োজন চলি আছে .

গীত : আহা কণমানিহঁত তোমালোকক দেখুৱাও ছবি হিন্দুস্তানৰ

এই মাটিৰে ফোঁট লোৱা, এয়া ধৰণী বলিদানৰ

বন্দে মাতৰম...বন্দে মাতৰম...

আহা কণমানিহঁত তোমালোকক দেখুৱাও ছবি হিন্দুস্তানৰ

এই মাটিৰে ফোঁট লোৱা, এয়া ধৰণী বলিদানৰ

বন্দে মাতৰম...বন্দে মাতৰম...

শিশু : ককা...ককা আপুনি শুনিলে নে এওঁলোকে কিমান ভাল গাই আছে . ককা... এওঁলোকে আজি এই গীত কিয় গাই আছে?

ককা : বন্দে মাতৰম...বন্দে মাতৰম...শব্দ টোৱে এনেকুৱা যিটো বাৰে বাৰে গাবলৈ, শুনিবলৈ মন যায় .

শিশু : ককা... এওঁলোকে আজি এই গীত কিয় গাই আছে?

ককা : এওঁলোকে 14 আৰু 15 আগষ্টৰ অনুষ্ঠানৰ প্ৰস্তুতি চলাই আছে .

শিশু : ককা মই জানো 15 আগষ্টৰ দিনা স্বাধীনতা দিবস পালন কৰা হয়, কিন্তু 14 আগষ্টত কিনো হ'ব ককা?

ককা : 14 আগষ্টৰ দিনা আমাৰ দেশৰ বিভাজন হৈছিল, সেইবাবে আমি এই দিনটো 'বিভাজনৰ বিভীষিকা স্মৃতি দিবস' ৰূপে পালন কৰো .

শিশু : হয় ককা, এই 'বিভাজনৰ বিভীষিকা' নো কি ককা?

ককা : বিভাজন মানে কি নাজানা? যদি বিভাজনৰে অৰ্থ নাজানা তেন্তে বিভীষিকাৰ অৰ্থ কেনেকৈ জানিবা?

শুনা কণমানিহঁত... আমাৰ এই দেশ আগতে বহুত ডাঙৰ আছিল . কিন্তু পিছত ইয়াৰ বিভাজন হৈ গ'ল .

শিশু : মানে ভাগ কৰি দিয়া হ'ল?

ককা : হয় ভাগ কৰি দিয়া হ'ল, কিন্তু ভাগ কৰা... বিভাজন কৰা পৃথক-পৃথক কথা . ধৰি লোৱা তোমাৰ লগত দহটা টফী আছে . সেইবোৰ তুমি ভাগ কৰিব লাগে, কোৱা কেনেকৈ ভাগ কৰিবা? পাঁচটা-পাঁচটা ভাগ কৰি ল'বা... এতিয়া ভাবা যে তোমাৰ লগত এটাই টফী আছে... এতিয়া কি কৰিবা...

শিশু : মই তাক দুটা ভাগত ভাগ কৰি দিম .

ককা : কণমানিটি ভাঙা... তাক খণ্ডিত খণ্ডিত কৰি দিয়া... ইয়াকে বিভাজন বুলি কয় . ইয়াৰ পৰা যি দুখৰ সৃষ্টি হয়... যি কষ্ট পোৱা যায় তাকে বিভীষিকা বুলি কয় .

শিশু : ককা... বিভাজন কি সেয়াটো বুজিলো... কিন্তু এই বিভীষিকা... বিভাজন... বিভীষিকা...

ককা : কওঁ শুনা...

গীত : আহা কণমানিহঁত তোমালোকক দেখুৱাও ছবি হিন্দুস্তানৰ

এই মাটিৰে ফোঁট লোৱা, এয়া ধৰণী বলিদানৰ

বন্দে মাতৰম...বন্দে মাতৰম...

আহা কণমানিহঁত তোমালোকক দেখুৱাও ছবি হিন্দুস্তানৰ

এই মাটিৰে ফোঁট লোৱা, এয়া ধৰণী বলিদানৰ

বন্দে মাতৰম...বন্দে মাতৰম...

শিশু : ককা... আমাক ভালদৰে কওঁক না...এই বিভাজন কেনেকৈ হৈছিল .

ককা : কওঁ ৰবা... কওঁ ৰবা... বিভাজনৰ কথা আমাৰ দেশৰ বিভাজনৰ কথা কওঁ ৰবা... ভালদৰে শুনা... বিভাজনৰ বিষয়ে বুৰঞ্জীবিদ সকলে কি কয় তাক মন দি শুনা... ধ্যান দি শুনা আৰু বুজিবলৈ যত্ন কৰা... . আমাৰ দেশখনক ধৰ্মৰ নামত দুটা ভাগত ভাগ কৰি দিয়া হৈছিল . লাখ-লাখ লোক এই পাৰৰ পৰা সেই পাৰে পলায়ন কৰিব ধৰিল . চাৰিও ফালে হুলস্থুলৰ সৃষ্টি হ’ল . লাখ-লাখ লোক গৃহহাৰা হ’ল...

গান : য’ত প্ৰীতিয়ে হ’ল ৰীতি চিৰকাল

য’ত প্ৰীতিয়ে হ’ল ৰীতি চিৰকাল

গীত তাৰ গাওঁ মই

ভাৰততে থাকো মই

ভাৰতৰ কথা কওঁ মই

য’ত প্ৰীতিয়ে হ’ল ৰীতি চিৰকাল

সুত্ৰধাৰ এক : অখণ্ড ভাৰতৰ বিভাজন হ’ল অভূতপূৰ্ব মানৱ বিস্থাপন আৰু উপায়হীন হৈ পলায়ন কৰাৰ এক বেদনাদায়ক কলা ইতিহাস .

সুত্ৰধাৰ দুই : ই এক এনেকুৱা ঘটনা, যি ঘটনাৰ বশবৰ্তী হৈ লাখ-লাখ লোক অপৰিচিত লোকৰ মাজত একেবাৰে বিপৰীত পৰিস্থিতিত নতুন ঘৰ বিচাৰি ফুৰিছিল .

সুত্ৰধাৰ এক : য’ত বিশ্বাস আৰু ধৰ্মৰ আধাৰত এক হিংসাত্মক বিভাজনৰ কাহিনীৰ বাদেও ই ইয়াৰো কাহিনী যে...

সুত্ৰধাৰ দুই : কেনেদৰে এক জীৱন শৈলী তথা বহু বছৰ পুৰণি সহ-অস্তিত্বৰ যুগ একেবাৰে নাটকীয় ধৰণে শেষ হৈ গ’ল .

সুত্ৰধাৰ এক : প্ৰায় 60 লাখ হিন্দু, সিখ আৰু অন্য সম্প্ৰদায়ৰ লোক যিবোৰ ঠাইৰ পৰা ওলাই আহিছিল, সেই ঠাইবোৰ পিছত পশ্চিম পাকিস্তান হ’ল .

সুত্ৰধাৰ দুই : 65 লাখ মুছলমান পঞ্জাব, দিল্লী আৰু ভাৰতৰ অনেক ঠাইৰ পৰা পশ্চিম পাকিস্তানলৈ যাব লগা হৈছিল .

সুত্ৰধাৰ এক : 20 লাখ হিন্দু আৰু অন্য সম্প্ৰদায়ৰ লোক পূৱ বংগ, যি পিছত পূৱ পাকিস্তান হ'ল, তাক এৰি পশ্চিম বংগ আহিছিল .

সুত্ৰধাৰ দুই : 1950 চনত আৰু 20 লাখ হিন্দু আৰু অন্য সম্প্ৰদায়ৰ লোক পশ্চিম বংগ আহিছিল .

সুত্ৰধাৰ এক : দহ লাখ মুছলমান পশ্চিম বংগ এৰি পূৱ পাকিস্তানলৈ যাব লগা হৈছিল .

সুত্ৰধাৰ দুই : এই বিভীষিকাত মৃত্যু হোৱা লোকৰ সংখ্যা প্ৰায় 5 লাখ আছিল .

সুত্ৰধাৰ এক : কিন্তু অনুমানত এই সংখ্যা পাঁচ লাখৰ পৰা দহ লাখৰ ভিতৰত বুলি কোৱা হয় .

সুত্ৰধাৰ দুই : দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সম্ভৱত এই বিভাজনৰ ফলত ধৰ্মৰ নামত আটাইতকৈ বেছি সংখ্যক লোকৰ হত্যা হৈছিল বুলি লোকে কয় .

সুত্ৰধাৰ এক : শতাব্দী পুৰণি মিলা-প্ৰীতি আৰু বিশ্বাসৰ বান্ধোন ছিঙিছিল .

গীত : চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা

চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা<br>
এৰি অহা জীৱন, হেৰাই যোৱা সখা .<br>
এৰি অহা জীৱন, হেৰাই যোৱা সখা .<br>
চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা<br>
চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা<br>
এৰি অহা জীৱন, হেৰাই যোৱা সখা .<br>
এৰি অহা জীৱন, হেৰাই যোৱা সখা .

শিশু : ককা... এই লোকসকলৰ ঘৰ-বাৰী সকলো কাঢ়ি লোৱা হৈছে . মোৰ শুনিয়েই ভয় লাগিছে .

ককা : এয়া টো ভয় খোৱাৰ কথাই মইনা... ভাবা যিসকল লোক সেই সময়ত আছিল সিহঁতে কি কি ভোগ কৰিব লগা হৈছিল?

শিশু : ককা... তাত টো মোৰ সমান ল'ৰা-ছোৱালীও আছিল নিশ্চয়... সিহঁতৰ কি দশা হৈছিল?

ককা : হয়... তোমাৰ সমান লাখ-লাখ ল'ৰা-ছোৱালী আছিল, সিহঁতে সেই দৃশ্য নিজৰ চকুৰে চাইছিল আৰু আজি সেই দৃশ্য মনত পেলাই শিহৰি উঠে .

শিশু : আমাক আৰু কওঁক না ককা...

ককা : কওঁ ৰবা... শুনা তেন্তে...

গীত : এয়া চোৱা বংগ আমাৰ, প্ৰত্যেক চুক-কোন সেউজীয়া ইয়াৰ

আপোন দেশৰ হকে মৰিবলৈ সাজু প্ৰতিটো সন্তান ইয়াৰ

আহা কণমানিহঁত তোমালোকক দেখাৱাও ছবি হিন্দুস্তানৰ

এই মাটিৰে ফোঁট লোৱা, এয়া ধৰণী বলিদানৰ

বন্দে মাতৰম, বন্দে মাতৰম

বন্দে মাতৰম, বন্দে মাতৰম

শিক্ষক : চিট ডাউন...

শিশু সকল : গুড মৰ্নিং ছাৰ...

শিক্ষক : গুড মৰ্নিং

শিশু সকল : ছাৰ... শুনকচোন... আপুনি বিভাজনৰ বিষয়ে কিবা কৈ আছিল... আপুনি কৈছিল যে বহুত খিনি হেৰুৱালো... এতিয়া আৰু কওঁক না ছাৰ বিভাজনৰ বিষয়ে কি হৈছিল...

শিক্ষক : 20 ফেব্ৰুৱাৰী, 1947 চনত ব্ৰিটিচ প্ৰধান মন্ত্ৰী ক্লেমেণ্ট এটলীয়ে হাউচ অফ কমন্সত ঘোষণা কৰিছিল যে...

শিশু : ছাৰ... এতিয়া মই কওঁ... ময়ো জানো...

শিক্ষক : অ... কোৱা...

শিশু 1 : শুনা বন্ধুসকল... চৰকাৰে 1948 চনৰ 30 জুনৰ আগত...

শিক্ষক : আহা পুনম... তাৰ পৰা কিয়... ইয়াত আহি কোৱা সকলোকে...

শিশু 2 : হয় ছাৰ...

শুনা বন্ধুসকল... চৰকাৰে 1948 চনৰ 30 জুনৰ আগত... ক্ষমতা হস্তান্তৰিত কৰি ভাৰত এৰাৰ সিদ্ধান্ত লৈছে .

শিশু 3 : ছাৰ মই...

শিক্ষক : অ কোৱা...

শিশু 4 : অৱশ্যে গোটেই কাম খিনি লৰ্ড মাউণ্টবেটেনৰ বাবে এক বছৰ আগতে শেষ কৰিবলগীয়া হৈছিল .

শিশু 5 : হয় ছাৰ... লৰ্ড মাউণ্টবেটেন 1947 চনৰ 31 মে’ তাৰিখে লন্দৰ পৰা ক্ষমতা হস্তান্তৰনৰ স্বীকৃতি লৈ দিল্লী উভতিছিল .

শিশু 6 : মোৰো মনত পৰিছে... 1947 চনৰ 2 জুন তাৰিখৰ বুৰঞ্জী প্ৰসিদ্ধ সভা খনত বিভাজনৰ সিদ্ধান্ত লৈ এক প্ৰকাৰে সন্মত হৈছিল .

শিশু 7 : হয় ছাৰ... ভাৰতৰ বিভাজন স্বাধীনতাৰ এটা চৰ্তৰ দৰে আছিল . ধৰ্মৰ আধাৰত ভাৰত বিভাজনৰ আঁচনিৰ ব্যাপক বিৰোধিতা হৈছিল .

শিশু 1 : এই বিভাজনৰ বাবে তেনেবোৰ নেতা মানসিক ভাবে প্ৰস্তুত আছিল, যিসকলে এই বিভাজনত নিজৰ হিত আৰু উজ্জ্বল ভৱিষ্য দেখিছিল .

শিক্ষক : বৰ ভাল কণমানিহঁত... তোমালোকে টো বহুত কথাই জানা... ক্লাছ আগবঢ়োৱাৰ আগতে এটা ব্ৰেক লৈ লওঁ .

আটাইবোৰ শিশু : ঠিক আছে ছাৰ...

গীত : বন্দে মাতৰম, বন্দে মাতৰম

বন্দে মাতৰম, বন্দে মাতৰম

বন্দে মাতৰম, বন্দে মাতৰম

বন্দে মাতৰম, বন্দে মাতৰম

সুত্ৰধাৰ 1 : ভাই, বিভাজনৰ বিষয়ে তুমি কি ভাবা?

সুত্ৰধাৰ 2 : ভাই, বিভাজনক প্ৰশ্ৰয় দিলে সমাজৰ সংস্কাৰ সাধন হ'ব . বিভিন্ন সমুদায়বোৰে নিজৰ-নিজৰ অধিকাৰ পাব .

সুত্ৰধাৰ 1 : নহয়... বিভাজনৰ দ্বাৰা একোৰে নহয়, একতাৰ দ্বাৰা হে সমাজৰ বিকাশ সাধন হ'ব পাৰে. আমি সকলোৱে এক হৈ সমৃদ্ধিৰ বাটত আগবাঢ়িব লাগে .

সুত্ৰধাৰ 2 : তোমাৰ কথাবোৰ শুনাত ভাল, কিন্তু বাস্তবিকতা এয়ে যে বিভাজনৰ দ্বাৰা হে সকলো সম্ভৱ হয় .

সুত্ৰধাৰ 1 : নহয়... আমি সকলোৱে মিলি দেশখনক প্ৰগতিৰ পথত আগবঢ়াই নিব লাগে . আৰু বিভাজনৰ বিভীষিকা শেষ কৰিব লাগে .

সুত্ৰধাৰ 2 : তুমি কি ভাবা... আমি এই কথা আকোৱালি ল'ব পাৰিম জানো?

সুত্ৰধাৰ 1 : কিয় আকোৱালি ল'ব নোৱাৰিম... ইয়াৰ বাবে আমি সকলোৱে এক হৈ থাকিব লাগিব আৰু একতাই আমাৰ সম্পত্তি হয়, ইয়াক সাঁচি ৰাখিব লাগিব .

সুত্ৰধাৰ 2 : ঠিক আছে, কিন্তু মোক কোৱা অখণ্ড ভাৰতৰ বিভাজনৰ কালত আৰু কি কি হৈছিল...

সুত্ৰধাৰ 1 : ইয়াৰ বিষয়ে তোমাক তেওঁলোকেই ক'ব, যিসকলে ইয়াক ভুগিছে...

গীত : বন্দে মাতৰম, বন্দে মাতৰম

বন্দে মাতৰম, বন্দে মাতৰম

বন্দে মাতৰম, বন্দে মাতৰম

বন্দে মাতৰম, বন্দে মাতৰম

শিশু সকল : গুড আফ্টৰনুন ছাৰ...

শিক্ষক : গুড আফ্টৰনুন ছাৰ... চিট ডাউন... তেন্তে আগবাঢ়ো... শুনা... তেন্তে শুনা... অখিল ভাৰতীয় মুছলিম লীগৰ সভা 1947 চনৰ 9 জুন তাৰিখে নতুন দিল্লীৰ ইম্পীৰিয়ল হোটেলত হৈছিল .

শিশু : ভাৰতীয় মুছলিম লীগ কে আদি কৰি সেই সময়ত কংগ্রেছ আৰু অনেক নেতাৰ অসমৰ্থতা বা অনুচিত উচ্চাভিলাসৰ বাবে এই কাৰ্যৰ শক্তিশালী বিৰোধ নহ’ল . কংগ্রেছৰ নেতা পণ্ডিত জবাহৰ লাল নেহৰু আৰু মুছলিম লীগৰ জিন্নাৰ মাজৰ দ্বন্দ্বৰ ফলত দেশে বিভাজনৰ সন্মুখীন হ’ব লগা হৈছিল .

শিশু 1 : শুনক ছাৰ... ছাৰ... ইয়াৰ আগৰ কথাখিনি মই জানো...

শিক্ষক : পুনম তুমি টো সকলো জানা... জ্ঞান বিলালে বাঢ়ে... বিলোৱা জ্ঞান...

শিশু 1 : বন্ধুসকল... তাত বিভাজনৰ দাবীৰ প্ৰস্তাৰটো প্ৰায় সৰ্বসন্মিতিৰে স্বীকৃতি হ’ল .

শিশু 2 : যাৰ সপক্ষে 300 আৰু বিপক্ষে 10 টা ভোট পৰিছিল .

শিশু 3 : কম সময়ৰ ভিতৰতে ভাৰত আৰু পাকিস্তান দুটা ভাগত বিভক্ত হ’ল .

শিশু 5 : ধৰ্মৰ আধাৰত বংগৰ পূৱ ভাগো বিভাজিত হৈ পাকিস্তানত অন্তৰ্ভুক্ত হ’ল .

ককা : 1946 আৰু 1947 চনত ভাৰতৰ বিভিন্ন ভাগত হোৱা সাম্প্ৰদায়িক উপদ্ৰৱৰ ব্যাপকতা আৰু ক্ৰুৰতা বহুতো কিতাপত লিখা হৈছে . 1947 চনৰ 4 মাৰ্চৰ দিন আছিল . পুলিচে হিন্দু আৰু শিখসকলৰ এদল শোভাযাত্ৰীক লক্ষ্য কৰি গুলি চলালে .

সুত্ৰধাৰ 2 : খুব কম সময়তে অৰ্থাত 6 মাৰ্চৰ ৰাতিপোৱালৈ অমৃতসৰ, জালন্ধৰ, ৰাৱলপিণ্ডী, মুল্তান আৰু সিয়ালকোটকে আদি কৰি পঞ্জাৱৰ গোটেইবোৰ চহৰত দাংগা আৰম্ভ হৈছিল .

সুত্ৰধাৰ 1 : পঞ্জাৱৰ তুলনাত বংগত কেইবা দশক ধৰি চলি থকা বিস্থাপন আৰু পুনৰ্বাসৰ ৰূপ একেবাৰে পৃথক আছিল .

সুত্ৰধাৰ 2 : বংগৰ লোকসকল বৰ দূৰ্ভগীয়া আছিল...

সুত্ৰধাৰ 1 : কিয়...

সুত্ৰধাৰ 2 : কাৰণ... বংগৰ লোকসকলে দুইবাৰ বিস্থাপিত হৈছিল .

সুত্ৰধাৰ 1 : দুইবাৰ...

সুত্ৰধাৰ 2 : হয়... দুইবাৰ...

সুত্ৰধাৰ 1 : এবাৰ তেওঁলোকে নিজৰ ঘৰ-বাৰী এৰি পূৱ পাকিস্তান যাবলগীয়া হৈছিল .

সুত্ৰধাৰ 2 : আকৌ তেওঁলোকে তাৰ পৰা পলায়ন কৰি পশ্চিম বংগ আহিবলগীয়া হৈছিল...

সুত্ৰধাৰ 2 : ভাই... তাৰ অধিকাৰীসকলে বিভাজনৰ ফলত উৎপন্ন সংকটৰ ভয়ানকতা অনুমান কৰাত ভুল কৰিছিল...
.

সুত্ৰধাৰ 1 : হাজাৰ-হাজাৰ হিন্দু পৰিয়াল ঢাকা আৰু তাৰ ওচৰ-পাজৰৰ ঠাইৰ পৰা পলায়ন কৰি সিয়ালদহ পাইছিল...

সুত্ৰধাৰ 2 : সহজতে আহি পোৱা নাছিল... বাটত প্ৰত্যেক গৰাকী মহিলাৰ আ-অলংকাৰ কাঢ়ি লোৱা হৈছিল... তেওঁলোকক বিভিন্ন ধৰণে প্ৰতাৰিত কৰা হৈছিল...

সুত্ৰধাৰ 1 : শিশু, মহিলা, বয়োজেষ্ঠ লোকসকলক অমানৱীয় ব্যৱহাৰ কৰা হৈছিল...

সুত্ৰধাৰ 2 : শিশুৱে হওক, মহিলাই হওক, বৃদ্ধই হওক...সকলোৰে লগত দুৰ্ব্যৱহাৰ কৰা হৈছিল...

সুত্ৰধাৰ 1 : হয় এই কথা সঁচা... বিভাজনৰ সময়ত মহিলাসকলৰ বহুত ক্ষতি হয় .

সুত্ৰধাৰ 2 : লাখ-লাখ পৰিয়ালে নিজৰ প্ৰিয়জনক হেৰুৱালে .

সুত্ৰধাৰ 1 : ইমানেই নহয় তাত ট্ৰেনত মানুহ জীৱত অৱস্থাত উঠিছিল, কিন্তু ইয়াত সেইসকলৰ মৃতদেহহে আহি পাইছিল...

**শিশুটি কান্দিব ধৰে...**

ককা : নাকান্দিবা... নাকান্দিবা

শিশু : ককা... ঢাকাৰ পৰা অহা সেই লোকসকলৰ কি হ'ল? যিসকলৰ সকলো লুটি নিয়া হৈছিল...

ককা : ইয়াৰো আজব কাহিনী আছে...প্ৰবাদ আছে নহয়...ধোবাৰ কুকুৰ, না ঘৰৰ না ঘাটৰ...

শিশু : এনেকুৱা কি হৈছিল ককা?

ককা : তেওঁলোকে যেতিয়া নিজৰ ঘৰ-বাৰী এৰি আকৌ নিজৰ দেশত আহে... তেতিয়া তেওঁলোক নিজৰ ঘৰতে শৰণাৰ্থী হৈ পৰে .

গীত : চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা

চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা

এৰি অহা জীৱন, হেৰাই যোৱা সখা .

এৰি অহা জীৱন, হেৰাই যোৱা সখা .

পাত্ৰ 3 : পূব পাকিস্তানৰ পৰা ইমানবোৰ লোক বংগত আহিলে যে কাৰো ঘৰত এক ইঞ্চ ঠাই খালী নাথাকিল... নিজৰ সম্বন্ধীয়সকলক ৰাখিবলৈ...

পাত্ৰ 4 : পশ্চিম বংগ চৰকাৰে চট্টাগ্ৰাম, নাৰায়ণ গঞ্জ, বৰিশাল, চান্দপুৰৰ পৰা শৰণাৰ্থীসকলক কলিকতা আনিবলৈ পোন্ধৰটা ষ্টীমৰৰ ব্যৱস্থা কৰিছিল...

পাত্ৰ 3 : পূব পাকিস্তানৰ পৰা লোকে জলমাৰ্গেৰে পলায়ন কৰিছিল... কেবাখনো নাওঁ পানী ডুব গৈছিল... কেইদিনমান পিছত পানীত মানুহৰ শ উপঙি আছিল...

পাত্ৰ 3+4 : কিনো বিশেষ আছিল আমাৰ ভাগৰ মাটিত... যাক পাবলৈ আমাৰ সকলো কাঢ়ি লোৱা হ'ল...

পাত্ৰ 3 : বংগ, পঞ্জাৱ, গুজৰাত, সিন্ধ চাৰিওফালে বিভাজনৰ জুই জ্বলিব ধৰিল .

পাত্ৰ 4 : সিন্ধৰ লোকসকল বিস্থাপিত হৈ আহিল, কিন্তু... সিন্ধ আমি নাপালো...

সুত্ৰধাৰ এক : সিন্ধৰ পৰা আহিল – আটাইতকৈ বেছি সিন্ধী পৰিয়াল ৰাজস্থানত আহিল...

(সিন্ধী পৰিয়ালৰ ৰূপত)

সিন্ধী পুৰুষ : বিভাজনৰ পিছত লাখ-লাখ শৰণাৰ্থী ভাৰতলৈ আহিল, আৰু ৰাজস্থান সেই ৰাজ্যবোৰৰ ভিতৰত পৰে যত অধিক সংখ্যাত শৰণাৰ্থী আহিছিল .

সিন্ধী মহিলা : ৰাজস্থানত আমাৰ দৰে শৰণাৰ্থীসকলৰ বাবে পুনৰ্বাসৰ ব্যৱস্থা কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান আছিল .

সিন্ধী পুৰুষ : আমি অহাৰ বাবে ৰাজস্থানৰ সংস্কৃতিত পৰিবৰ্তন আহিল . আমি দেখাত পৃথক-পৃথক হ'লো . আমাৰ সংস্কৃতি, ভাষা আৰু ৰীতি-নীতি গোটেইবোৰ সলনি হ'ল .

সিন্ধী মহিলা : সিন্ধত মই ডাঙৰ ব্যৱসায় কৰিছিলো . ইয়াত মোৰ সন্তানৰ বাবে দুবেলা দুমুঠি আহাৰৰ যোগান ধৰিব নোৱাৰাত পৰিছো .

সিন্ধী পুৰুষ : তাত মোৰ গোটেইবোৰ দুকান আৰু ঘৰ-বাৰী লুটি লোৱা হৈছিল .

সিন্ধী মহিলা : সেই ৰাতিটো মই মনত পেলাব নোখোজো... যেতিয়া মোৰ সন্তান কেটাক লৈ মই পলাইছিলো .

সিন্ধী পুৰুষ : লৰি-ঢাপৰি, কোনোমতে ৰক্ষা পৰি ৰাজস্থানৰ বিকানেৰৰ মোৰ এজন দূৰ সম্পৰ্কীয় লোকৰ ঘৰত আহি পাইছিলো .

সিন্ধী মহিলা : আমাৰ কেইবাজনো সম্বন্ধীয় লোক বাটতে হেৰাল যিসকলক আজিও বিচাৰি পোৱা নাই .

সিন্ধী মহিলা : তেওঁলোকে আমাক কিমান দিন আশ্ৰয় দিব পাৰিব . শেষত আমি শৰণাৰ্থী শিবিৰত আশ্ৰয় ল'লো . হাঁহি-ধেমালি কৰি থকা পৰিয়াল, গাওঁ, চহৰ কেনেকৈ বৰবাদ হৈ যায় কোনোৱাই আমাক সোধক...

শিশু 4 : পাকিস্তানৰ পৰা মানুহ জম্মু কাশ্মীৰৰ ফালে পলায়ন কৰিলে, পঞ্জাৱৰ ফালে আহিল, গুজৰাত, বংগ, ৰাজস্থানৰ ফালে লাখ-লাখ মানুহ আহিল .

(দুয়োজনে চিঞৰি চিঞৰি কান্দিব ধৰে)

গান : চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা
চকুৰে বৈ অহা, এয়া বেদনাৰ ধাৰা
এৰি অহা জীৱন, হেৰাই যোৱা সখা .
এৰি অহা জীৱন, হেৰাই যোৱা সখা .

শিশু : ককা... আৰু মই একো শুনিব নিবিচাৰো...

ককা : সোণ... আমাৰ দেশৰ ইতিহাসৰ ই এনে এক কলা অধ্যায় যে কোনেও শুনিব নোখোজে... হৃদয় বিদাৰক ঘটনা... ইয়াৰ বিষয়ে শুনি কঠোৰ হৃদয়ো কোমল হয় যায়... তুমিটো সৰু... এতিয়া মই তোমাক সেই কথা কম যি কথা মই ক'ব লাগে .

সুত্ৰধাৰ 1+2 : য'ত জীৱনৰ প্ৰত্যেকটো পুৱা হাঁহিৰে আৰম্ভ হৈছিল... তাৰ দৃশ্য দেখি চকুলো তেজ হৈ গৈছিল...

পাত্ৰ 3+4 : তোমাৰ বেদনাৰ ভাৰ মোৰ কান্ধত বেছি হোৱা নাই... যেতিয়া জোখো তাক ভয়, যুদ্ধ আৰু ক্ৰূৰতাৰে...

পাত্ৰ 1 : বিভাজনৰ বিভীষিকাত প্ৰাণ হেৰুৱাব লগা হোৱা আৰু বিস্থাপিত হোৱা লাখ-লাখ ভাৰতবাসীক নমন...

পাত্ৰ 2 : ভাৰতৰ একতা আৰু অখণ্ডতাক সুৰক্ষিত ৰাখিবলৈ আটায়ে প্ৰয়াস কৰিব লাগিব .

পাত্ৰ 3 : বিভাজনৰ ৰাজনীতিত এজন ভাতৃৰ মনত আন এজন ভাতৃৰ বিষয়ে বিষ ঢালা হৈছিল .

পাত্ৰ 4 : এই বিষৰ দ্বাৰা মানুহে মানুহক কাটিছে, মানুহে মানুহক বিভক্ত কৰিছে, মানুহে মানুহক হেৰুৱাইছে . আৰু আমাৰ অখণ্ড ভাৰত খণ্ডিত হৈছে .

ককা : যি হ'ল হ'ল... আমাৰ যশস্বী প্ৰধানমন্ত্ৰী মহোদয়ে কি কৈছে :

প্ৰধানমন্ত্ৰী মহোদয়ৰ মাত : দেশ বিভাজনৰ বেদনা পাহৰিব নোৱাৰি . ঘৃণা আৰু ইৰ্ষা বাবে আমাৰ লাখ-লাখ ভাই-ভনী বিস্থাপিত হ'ব লগা হৈছিল আৰু প্ৰাণো হেৰুৱাব লগা হৈছিল . তেওঁলোকৰ সংগ্ৰাম আৰু বলিদানৰ স্মৃতিত 14 আগষ্টত 'বিভাজনৰ বিভীষিকা স্মৃতি দিবস' ৰূপে পালন কৰাৰ নিৰ্ণয় আমি লৈছো .

পাত্ৰ 1 : যদি আমাৰ লগত কোনোৱাই ধৰ্ম আৰু জাতিক লৈ ছলনা কৰে... বা প্ৰবঞ্চনা কৰে... আমি ভোল নাযাওঁ...

পাত্ৰ 1 : ভাৰতক অখণ্ড ৰাখিব লাগিব .

আটাই : ভাৰতক অখণ্ড ৰাখিব লাগিব .

পাত্ৰ 4 : এতিয়া আমি কোনো ৰাজনৈতিক ফাঁকিত ভোল নাযাওঁ .

আটাই : এতিয়া আমি কোনো ৰাজনৈতিক ফাঁকিত ভোল নাযাওঁ .

পাত্ৰ 4 : সুখ শান্তিত থাকি ভাৰতক অখণ্ড ৰাখিম আৰু ভাৰত মাৰ বিকাশ কৰিম .

আটাই : ভাৰত মাৰ বিকাশ কৰিম .

অ আহা... আমি সকলোৱে প্ৰতিজ্ঞা কৰো .

ভাৰত মাতা কী জয়... ভাৰত মাতা কী জয়...

গীত : বন্দে মাতৰম... বন্দে মাতৰম...

বন্দে মাতৰম... বন্দে মাতৰম...

বন্দে মাতৰম... বন্দে মাতৰম...

বন্দে মাতৰম... বন্দে মাতৰম...